NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 5-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বঞ্জাৰা জনগোষ্ঠীৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ।

২। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নতুন দিল্লীত আজি উত্তৰ-পূব কেৱল ভৌগোলিক অঞ্চল নহয় বৰঞ্চ ভাৰতৰ সাৰমৰ্মক মূৰ্ত কৰি তোলা সংস্কৃতি, পৰম্পৰা আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ এখন সজীৱ ছবি বুলি উল্লেখ কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আজি খাদী ইণ্ডিয়াক বিক্ৰীৰ ক্ষেত্ৰত নতুন অভিলেষ গঢ়াৰ বাবে অভিনন্দন জনাইছে।

*আৰু*

৪। মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কাইলৈ ভাৰতীয় দলটো পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বঞ্জাৰা জনগোষ্ঠীৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ। তেওঁ কয় যে, চৰকাৰে গ্ৰহণ কৰা সকলো নীতি আৰু সিদ্ধান্তসমূহ বিকশিত ভাৰতৰ প্ৰতি উৎসৰ্গিত আৰু এই ক্ষেত্ৰত কৃষকসকলৰ উন্নয়ন প্ৰধান লক্ষ্য হিচাপে লোৱা হৈছে। মহাৰাষ্ট্ৰৰ ৱাছিমত অনুষ্ঠিত এটা অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে প্ৰায় ২৩ হাজাৰ ৩০০ কোটি টকা ব্যয় সাপেক্ষে কৃষি আৰু পশুপালন খণ্ডৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। মহাৰাষ্ট্ৰৰ ৱাছিমৰ পোহাৰদেৱীত **বঞ্জাৰা বিৰাছট** সংগ্ৰহালয়টো প্ৰধানমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। বঞ্জাৰা সম্প্ৰদায়ৰ সমৃদ্ধিশালী ঐতিহ্যক প্ৰতিফলিত কৰা এই চাৰিমহলীয়া সংগ্ৰহালয়টোত এই সম্প্ৰদায়ৰ প্ৰয়াত মহান ব্যক্তিসকলৰ ছবিকে ধৰি ভালেমান বহুমূলীয়া সম্পদ প্ৰদৰ্শিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বঞ্জাৰা জনগোষ্ঠীৰ ঐতিহাসিক পৰম্পৰা আৰু সংস্কৃতিৰ বিষয়ে জানিবলৈ এই সংগ্ৰহালয়টো পৰিদৰ্শন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। ৱাছিমত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰীয়ে আজি সন্ত সেৱালাল মহাৰাজ আৰু সন্ত ৰামৰাও মহাৰাজৰ প্ৰতি পুষ্পাঞ্জলি নিবেদন কৰে। ইয়াৰ লগতে তেওঁ পোহাৰদেৱীত অৱস্থিত জগদম্বা মন্দিৰ দৰ্শন কৰি পূজা অৰ্চনাও আগবঢ়ায়।

প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি তেওঁৰ এদিনীয়া ভ্ৰমণকালত ৫৬ হাজাৰ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰে। ৰাজ্যখনৰ ৱাছিম আৰু থানেত আয়োজিত অনুষ্ঠিত অনুষ্ঠানত ভাগ লৈ শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী কিষান যোজনাৰ অধীনত অষ্টাদশ কিস্তিৰ পুঁজিও আনুষ্ঠানিকভাৱে মুকলি কৰে। উল্লেখযোগ্য যে এই আঁচনিৰ জৰিয়তে সমগ্ৰ দেশৰ ৯ কোটি ৪০ লাখতকৈও অধিক সংখ্যক কৃষক প্ৰত্যক্ষ বিত্তীয় সুযোগৰ জৰিয়তে উপকৃত হ'ব। এই আঁচনিৰ অধীনত ২০ হাজাৰ কোটি টকাতকৈও অধিক ধন মুকলি কৰা

হয়। সমান্তৰালকৈ মহাৰাষ্ট্ৰৰ ৯০ লাখ খেতিয়কে ৰাজ্যৰ নমো **শ্বেতকাৰী মহাসন্মান** আঁচনিৰ অধীনত এহেজাৰ ৯০০ কোটিতকৈও অধিক ধন লাভ কৰে। এই সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, দেশৰ উন্নয়নৰ ক্ষেত্ৰত মহাৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নতিয়ে যথেষ্ট অৰিহণা আগবঢ়াব আৰু এই উন্নয়ন তেতিয়াহে বাস্তবায়িত হ'ব যেতিয়া দৰিদ্ৰ, কৃষক, শ্ৰমিক আৰু দলিত শ্ৰেণীৰ লোকসকলৰ সৱলীকৰণ অভিযান শক্তিশালীভাৱে অব্যাহত থাকিব।

০০০০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নতুন দিল্লীত আজি এখন ব্যক্তিগত অনুষ্ঠানত ভাষণ দি কয় যে, উত্তৰ-পূৰ্বাঞ্চল দেশৰ হৃদয় আৰু আত্মা। তেওঁ কয় যে, উত্তৰ-পূব কেৱল ভৌগোলিক অঞ্চল নহয় বৰঞ্চ ভাৰতৰ সাৰমৰ্মক মূৰ্ত কৰি তোলা সংস্কৃতি, পৰম্পৰা আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ এখন সজীৱ ছবি। উত্তৰ-পূৰ্বাঞ্চলৰ চহকী আধ্যাত্মিক আৰু প্ৰাকৃতিক ঐতিহ্য তথা ইয়াৰ সজীৱ সংস্কৃতি, খাদ্যাভাষ আৰু মানৱীয় শক্তিৰ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰশংসা কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শেহতীয়াকৈ অসমীয়া ভাষাটো ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পোৱাৰ ওপৰতো আলোকপাত কৰে। তেওঁ কয় যে এই স্বীকৃতিয়ে দেশৰ চহকী ঐতিহ্য, বৈচিত্ৰ্য তথা সংস্কৃতি প্ৰদৰ্শন কৰে। সংবাদ মাধ্যমৰ গুৰুত্ব সন্দৰ্ভত ভাষণ দি উপ-ৰাষ্ট্ৰপতি শ্ৰী ধনখড়ে সংবাদদাতাসকলক উত্তৰ-পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰদূত হ'বলৈ আৰু পৰ্যটন তথা উন্নয়নৰ ক্ষেত্ৰত অঞ্চলটোৰ সম্ভাৱনাক বিশ্বৰ সন্মুখত দাঙি ধৰিবলৈ আহ্বান জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আজি খাদী ইণ্ডিয়াক বিক্ৰীৰ ক্ষেত্ৰত নতুন অভিলেষ গঢ়াৰ বাবে অভিনন্দন জনাইছে। গান্ধী জয়ন্তী উপলক্ষে নতুন দিল্লীৰ খাদী ভৱনত মাত্ৰ এদিনতে দুই কোটি এক লাখ ৩৭ হাজাৰ টকাৰ সামগ্ৰী বিক্ৰী হয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই কৃতিত্বক উৎসাহজনক বুলি অভিহিত কৰে। শ্ৰী মোদীয়ে আনন্দ প্ৰকাশ কৰি কয় যে, এই কৃতিত্বই খাদীৰ সৈতে জড়িত শিপিনীসকলকো সহায় কৰিব। ইপিনে, গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খাদী আৰু স্থানীয় সামগ্ৰী ক্ৰয়ৰ বাবে কৰা আবেদন বৈপ্লৱিক বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে, শ্ৰী মোদীৰ নেতৃত্বত আজিৰ দিনত খাদী উদ্যোগে এটা নতুন অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

০০০০০০০

হাৰিয়ানা বিধানসভাৰ ৯০টা সমষ্টিৰ বাবে আজি ভোটগ্ৰহণ অনুষ্ঠিত হয়। আজি পুৱা ৭ বজাত আৰম্ভ হোৱা এই ভোটগগ্ৰহণ প্ৰক্ৰিয়াৰ সন্ধিয়া ৬ বজাত সামৰণি পৰে। সন্ধিয়া ৫ বজালৈ ৬১ শতাংশ লোকে তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। এই নিৰ্বাচনৰ বাবে সমগ্ৰ ৰাজ্যখনত স্থাপন কৰা মুঠ ২০ হাজাৰ ৬৩২ টা ভোটগ্ৰহণ কেন্দ্ৰত ২ কোটি ৩ লাখতকৈও অধিক সংখ্যক ভোটদাতাই এহেজাৰ ৩১ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

০০০০০০০

বহু পক্ষীয় নৌ সেনাৰ অনুশীলন Maritime Exercise Malabar ২০২৪ চলিত মাহৰ ৮ তাৰিখৰ পৰা বিশাখাপটনমত আৰম্ভ হ'ব। ভাৰতে আয়োজন কৰা এই অনুশীলনত অষ্ট্ৰেলিয়া, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই অংশগ্ৰহণ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে কয় যে, মালাবাৰ ২০২৪ এ সহযোগিতা আৰু কাৰ্যকৰী ক্ষমতা বৃদ্ধিৰ বাবে পৰিকল্পনা কৰা এক বহল পৰিসৰৰ কাৰ্যকলাপৰ ওপৰত গুৰুত্ব আৰোপ কৰিব, য'ত বিশেষ অভিযান,

ভূপৃষ্ঠ, আকাশ, বায়ু আৰু ছাবমেৰিন বিৰোধী যুদ্ধৰ বিষয়সমূহ অন্তৰ্ভুক্ত হৈ আছে। মন্ত্ৰালয়ে কয় যে, মালাবাৰ ২০২৪ এতিয়ালৈকে সকলো সংস্কৰণৰ ভিতৰত আটাইতকৈ বিস্তৃত সংস্কৰণ হ'ব বুলি আশা কৰা হৈছে। য'ত জটিল কাৰ্যকৰী পৰিস্থিতিও সন্নিৱিষ্ট কৰা হৈছে।

০০০০০০০

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি কয় যে, ভাৰতীয় সংবিধানখন হৈছে মহাৰাষ্ট্ৰৰ মাটি আৰু জনসাধাৰণে গঢ় দিয়া ছত্ৰপতি শিৱাজী মহাৰাজৰ মতাদৰ্শ আৰু মূল্যবোধৰ অনুবাদ। মহাৰাষ্ট্ৰৰ ক'লহাপুৰত ৰাহুল গান্ধীয়ে শিৱাজী মহাৰাজৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰি এনেদৰে কয়। সভাত ভাষণ দি তেওঁ কয় যে, মূৰ্তি নিৰ্মাণৰ কোনো গুৰুত্ব নাই, যদিহে আমি ছত্ৰপতি শিৱাজী মহাৰাজে গোটেই জীৱন যি মূল্যবোধৰ বাবে যুঁজিছিল সেইসমূহ ৰক্ষা নকৰো। এই মতাদৰ্শটোৱে ভাৰতীয় সংবিধানক অৱমাননা কৰিব বিচাৰাসকলৰ বিৰোধিতা কৰে বুলি তেওঁ দৃঢ়তাৰে কয়। মালভানৰত ছত্ৰপতি শিৱাজী মহাৰাজৰ প্ৰতিমূৰ্তি ভাঙি পৰাৰ বিতৰ্কক লৈ মহাৰাষ্ট্ৰৰ মহাযুটি চৰকাৰক সমালোচনা কৰি ৰাহুল গান্ধীয়ে কংগ্ৰেছ দলৰ কৰ্মীসকলক মহান মাৰাথা শাসকৰ মূল্যবোধ আৰু ভাৰতীয় সংবিধান ৰক্ষাৰ দিশত চেষ্টা কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানটোত কংগ্ৰেছৰ তত্বাৱধায়ক ৰমেশ চেন্নিথালা, ক'লহাপুৰ সাংসদ ছত্ৰপতি শাহু মহাৰাজ, মহাৰাষ্ট্ৰ প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি নানা পাটোলে, কংগ্ৰেছ বিধানসভাৰ দলীয় নেতা বালা চাহেব থৌৰাট আদি কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে।

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত ধ্ৰুপদী ভাষা হিচাপে অসমীয়া সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই অংশগ্ৰহণ কৰিব। আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয় যে, ভৱিষ্যতে বিকশিত ভাৰত সৃষ্টিৰ বাবে মুম্বাই আৰু থানেৰ দৰে চহৰসমূহ সাজু হোৱা উচিত। অটল সেতু, মুম্বাই মেট্ৰ' আৰু উপকূলীয় পথ আদিকে ধৰি মুম্বাইৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পসমূহত আলোকপাত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, এই প্ৰকল্পসমূহে জনসাধাৰণৰ জীৱন সহজলভ্য কৰি তোলাই নহয় বৰং ই উদ্যোগিক বিকাশৰ লগতে নতুন নিয়োগৰ সৃষ্টি কৰিব। থানেত আজি বিয়লি বিভিন্ন গুৰুত্বপূৰ্ণ মেট্ৰ' আৰু পথ প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে প্ৰকাশ কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত ১৪ হাজাৰ ১২০ কোটি টকা ব্যয় সাপেক্ষে বি কে চিৰ পৰা আৰে জে ভি এল আৰ নিৰ্মাণ কৰিবলৈ লোৱা মুম্বাই মেট্ৰ' লাইন থ্ৰীৰ প্ৰকল্পটো উল্লেখযোগ্য আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰায় ১২ হাজাৰ

২০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া থানে ৰিং মেট্ৰ' ৰে'ল প্ৰকল্প আৰু প্ৰায় তিনি হাজাৰ ৩১০ কোটি টকা ব্যয়ৰে ছেদা নগৰৰ পৰা আন আন নগৰলৈ নিৰ্মাণ কৰিবলগীয়া এলিভেটেড ইষ্টাৰ্ন ফ্ৰীৱে এক্সটেনচনৰ আধাৰশিলা স্থাপন কৰে। প্ৰায় দুহেজাৰ ৫৫০ কোটি টকা ব্যয়ৰে নবী মুম্বাই বিমান বন্দৰ অধিসূচীত এলেকাত নেইনা প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৭০০ কোটি টকা ব্যয় সাপেক্ষে থানে পৌৰ নিগমৰ প্ৰশাসনিক ভৱন নিৰ্মাণ কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। এই প্ৰকল্পসমূহে অঞ্চলটোৰ নগৰীয়া কৰণত গতিশীলতা যথেষ্ট বৃদ্ধি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০

মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কাইলৈ ভাৰতীয় দলটো পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন কাইলৈ বিয়লি চাৰে ৩ বজাত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কালি নিউজিলেণ্ডৰ বিৰুদ্ধে হোৱা এখন খেলত পৰাজয়বৰণ কৰাৰ ফলত ভাৰতীয় দলটো আৰম্ভণিতে জটিল অৱস্থাৰ সন্মুখীন হৈছে।

ইফালে, আজি বিয়লি অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত অষ্ট্ৰেলিয়াই শ্ৰীলংকাক ৬ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি শ্ৰীলংকাৰ দলটোৱে নিৰ্ধাৰিত ২০ অ'ভাৰত ৭ উইকেটৰ বিনিময়ত মাত্ৰ ৯৩ ৰান কৰিবলৈ সমৰ্থ হয়। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াৰ ১৪ অ'ভাৰ ২টা বলত ৪ উইকেটৰ হেৰুৱাই বিজয়ী হয়।

উল্লেখযোগ্য যে অহা ১৩ অক্টোবৰত হ'বলগীয়া এখন খেলত ভাৰত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, প্লে অফৰ সুযোগ উজ্জ্বীৱিত কৰি ৰখাৰ বাবে ভাৰতে এই আটাইকেইখন খেলতে জয়লাভ কৰাৰ লগতে নেট ৰান ৰেটো বৃদ্ধি কৰিব লাগিব।

০০০০০০০

সমাপ্ত